অধ্যায় ১১ ঃ ৰাজ্যিক সচিবালয়- গাঁথনি আৰু কার্যাৱলী

অধ্যায় গাঁথনি

১১.১ উদ্দেশ্য
১১.২ পৰিচয়
১১.৩ ৰাজ্যিক সচিবালয়
১১.৩.১ ৰাজ্যিক সচিবালয়ৰ গাঁথনি
১১.৩.২ ৰাজ্যিক সচিবালয়ৰ কার্যাৱলী
১১.৪ মুখ্য সচিব
১১.৪.১ নিযুক্তি
১১.৪.২ কার্যকাল
১১.৪.৩ মুখ্য সচিবৰ কার্যাৱলী
১১.৪.৪ মুখ্য সচিবৰ ভূমিকা আৰু গুৰুত্ব
১১.৫ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ
১১.৬ অধিক জানিবলৈ
১১.৭ অগ্রগতিৰ খতিয়ান
১১.৮ আৰ্হি প্রশ্ন

১১.১ উদ্দেশ্য

এই অধ্যায়টি অধ্যয়ন কৰি আপুনি—

- ৰাজ্যিক সচিবালয়ৰ গাঁঠনি সম্পর্কে জানিবলৈ পাব
- ৰাজ্যিক সচিবালয়ৰ কার্যাৱলীৰ আলোচনা আগবঢ়াব পাৰিব
- মুখ্য সচিবৰ কার্য্যসমূহ ব্যাখ্যা কৰিব পাৰিব
- ৰাজ্য চৰকাৰৰ এগৰাকী বিষয়া হিচাপে মুখ্য সচিবৰ ভূমিকা আৰু গুৰুত্ব বিশ্লেষণ কৰিব পাৰিব।

১১.২পৰিচয়

ভাৰতৰ সংবিধানে ভাৰতত যুক্তৰাষ্ট্রীয় চৰকাৰ প্রচলন কৰিছে। সেই হেতুকে ক্ষমতা আৰু কার্য্যৱলী কেন্দ্রীয় চৰকাৰ আৰু ৰাজ্য চৰকাৰসমূহৰ মাজত ভাগ কৰি দিয়া হৈছে। এই বিভাজন তিনিখন বিষয় তালিকাৰ আধাৰত কৰা হৈছে - কেন্দ্রীয় তালিকা, ৰাজ্যিক তালিকাৰ আধাৰত কৰা হৈছে- কেন্দ্রীয় তালিকা, ৰাজ্যক তালিকা আৰু সমবর্তী তালিকা। ক্ষমতাৰ এই বিভাজনৰ বাবে যিবোৰ বিষয় সংঘ বা কেন্দ্রীয় চৰকাৰৰ অধীনলৈ আহে সেইবোৰ কেন্দ্রীয় মন্ত্রী

পৰিষদ আৰু কেন্দ্ৰীয় সচিবালয়ে কৰিব লগীয়া হয়। সেইদৰে যিবোৰ বিষয় ৰাজ্য চৰকাৰসমূহৰ অধীনলৈ আহে সেইবোৰ ৰাজ্যিক মন্ত্ৰী পৰিষদ আৰু ৰাজ্যিক সচিবালয়ে চাবলগীয়া হয়। অৱশ্যে সচিবালয়ৰ উপৰিও এনে কিছুমান কৰ্মচাৰীবৃন্দৰ অভিকৰণ (Staff Agency) আৰু বিভাগ আছে যিবিলাকে কেন্দ্ৰীয় আৰু ৰাজ্য চৰকাৰৰ নিত্য নৈমিত্তিক প্ৰশাসনিক কাৰ্য সম্পন্ন কৰে।

এই অধ্যায়টিত আমি ৰাজ্যিক সচিবালয়ৰ গাঁথনি বা সংগঠনসমূহৰ বিষয়ে আলোচনা কৰিম, মুখ্য সচিবৰ কাৰ্যাৱলী, তেওঁৰ ভূমিকা আৰু গুৰুত্বসহ ৰাজ্য চৰকাৰত সচিবালয়ৰ কাৰ্যাৱলী সম্পৰ্কেও আলোচনা কৰিম।

১১.৩ ৰাজ্যিক সচিবালয়

ভাৰত ৰাজ্যসমূহৰ এক সংঘ। সংবিধানে ৰাজ্যপালৰ হাতত ৰাজ্যৰ কাৰ্যপালিকা ক্ষমতা ন্যস্ত কৰিছে। তেওঁ ৰাজ্যৰ সাংবিধানিক মূৰব্বী। তেওঁক মুখ্য মন্ত্ৰীৰ নেতৃত্বত গঠিত মন্ত্ৰী পৰিষদে পৰামৰ্শ দিয়ে, যি মুখ্য মন্ত্ৰী প্ৰকৃতাৰ্থত ৰাজ্য চৰকাৰৰ মুৰব্বী। প্ৰশাসনিক সুবিধাৰ বাবে ভাৰতত ৰাজ্য চৰকাৰৰ প্ৰশাসনিক গাঁথনিটোক কেন্দ্ৰীয় চৰকাৰৰ দৰে ভালেমান বিভাগত ভাগ কৰা হৈছে। সাধাৰণতে এটা মন্ত্ৰালয়ত এটা বা দুটা বা তাতোধিক বিভাগ থাকে আৰু এই বিভাগসমূহ এজন মন্ত্ৰীৰ অধীনস্থ। মন্ত্ৰীসকল বিভাগসমূহৰ ৰাজনৈতিক মূৰব্বী আৰু তেওঁলোক স্থায়ী নহয়। অন্যহাতেদি, সচিবসকল বিভাগসমূহৰ প্ৰশাসনিক মূৰব্বী আৰু তেওঁলোক স্থায়ী বিষয়া। এই সচিবসকল আসামৰিক সেৱাৰ বৃত্তিত নিয়োজিত বা ভাৰতীয় প্ৰশাসনিক সেৱাৰ বিষয়া। মূলতঃ সচিব গৰাকী চৰকাৰৰ ওচৰত দায়বদ্ধ, মন্ত্ৰী বিশেষৰ ওচৰত তেওঁ দায়বদ্ধ নহয়।

সহজ ভাষাত ক'বলৈ গ'লে সচিবালয় হৈছে সচিব গৰাকীৰ কাৰ্যালয়। সচিবালয়ৰ অৰ্থ হৈছে সকলোবোৰ চৰকাৰী বিভাগৰ এটা সমূহ । সেইবাবে মন্ত্ৰী আৰু তেওঁলোকৰ সচিবসকলৰ কাৰ্যালয় য'ত অৱস্থিত তাকেই সচিবালয় বোলে। এই সচিবালয় সদায় ৰাজ্যৰ ৰাজধানী চহৰত অৱস্থিত। প্ৰত্যেকখন ৰাজ্যৰে একোটা নিজস্ব সচিবালয় থাকে যিটো ৰাজ্যৰ প্ৰশাসনিক গাঁঠনিৰ শীৰ্ষতম কাৰ্যালয় আৰু ই ৰাজ্য চৰকাৰক ক্ষমতা কাৰ্যকৰী কৰিবলৈ এটা ভিত্তি প্ৰদান কৰে। সচিবালয়েই হৈছে চৰকাৰৰ একমাত্ৰ সংস্থা যিয়ে প্ৰশাসনীয কাৰ্যত "বস্তুনিষ্ঠতা, অবিচ্ছিন্নতা আৰু অটলতা" সুনিশ্চিত কৰে। ই হৈছে সেইটো কৰ্তৃত্বশীল বিভাগ যিয়ে চৰকাৰী কাম-কাজ সুচাৰুৰূপে চলি থাকিবলৈ নীতি-নিয়ম, নিয়ন্ত্ৰণ বিধি আৰু ক্ৰিয়াবিধি প্ৰস্তুত কৰে। এক কথাত ক'বলৈ গ'লে সচিবালয়েই চৰকাৰ বা চৰকাৰেই সচিবালয়।

কেন্দ্ৰীয় চৰকাৰৰ দৰে ৰাজ্য চৰকাৰৰো তিনিটা প্ৰয়োজনীয় অংগ আছে। সেই কেইটা হৈছে ক্ৰমে- মন্ত্ৰী (ৰাজনৈতিক মুৰব্বী), সচিব (প্ৰশাসনিক মুৰব্বী) আৰু কাৰ্যপালিকাৰ মূৰব্বী (কাৰ্যপালিকা বিভাগৰ মূৰব্বী)। মন্ত্ৰীয়ে মূলতঃ নীতিসমূহ সুত্ৰিতকৰণ কৰে আৰু নীতিৰ লগত জড়িত বিষয়াসমূহৰ সিদ্ধান্ত লয়। মন্ত্ৰীয়ে চৰকাৰৰ বিভিন্ন নীতি বিষয়ক সিদ্ধান্ত লোৱাৰ সময়ত সচিবসকলে নীতিসমূহৰ লগত জড়িত ডাটা, তথ্য আৰু অন্যান্য প্ৰাসঙ্গিক দলিল আৰু নথিপত্ৰ মন্ত্ৰীক যোগান ধৰে। তদুপৰি সচিবসকলে সেই নীতিসমূহৰ কাৰ্যকৰী ৰূপায়নতো দৃষ্টি ৰাখে।


বিভিন্ন কার্যপালিকা বিভাগৰ মূৰব্বীসকলে চৰকাৰৰ বিভিন্ন নীতি আৰু সিদ্ধান্তসমূহ ৰূপায়ন কৰে। অন্যহাতেদি সচিবালয়ে মন্ত্রীসকল আৰু সচিবসকলক সুচাৰুৰূপে কাম কাজ কৰাত সহায় কৰে। স্বৰূপার্থত ক'বলৈ গ'লে সচিবালয়ে মন্ত্রী পৰিষদৰ দৰে সন্মিলিত দায়িত্ব বহন কৰি ইয়াৰ কাম সমাধা কৰে।

১১.৩.১ ৰাজ্যিক সচিবালয়ৰ গাঁথনি

ইতিমধ্যে কৈ অহা হৈছে যে 'সচিবালয়' ভালেমান বিভাগৰ সমূহ যিবোৰ প্রশাসনিক ভাবে সচিবৰ দ্বাৰা পৰিচালিত আৰু ৰাজনৈতিকভাবে মন্ত্রীৰ দ্বাৰা পৰিচালিত। তাৰ অর্থ এইটোৱে যে সচিবালয় বিভিন্ন ভাগত বিভক্ত।

একোজনকৈ মন্ত্রী এই বিভাগসমূহৰ দায়িত্বত থাকে। প্রতিটো বিভাগৰ মন্ত্রী গৰাকীৰ তলত একো গৰাকী সচিব থাকে যি ভাৰতীয় প্রশাসনিক সেৱাৰ বিষয়া। সাধাৰণতে সচিবালয়ৰ সচিবৰ সংখ্যাতকৈ বিভাগৰ সংখ্যা অধিক। ইয়াৰ কাৰণ এইটোৱেই যে একোগৰাকী সচিবৰ অধীনত এটাতকৈ অধিক বিভাগ থাকে। প্রত্যেকটো বিভাগৰ গাঁথনিয়ে স্কেলাৰ নীতি অনুসৰণ কৰে আৰু এই নীতি অনুসৰি সচিব গৰাকী হৈছে সাংগঠনিক মূৰব্বী। প্রত্যেক গৰাকী সচিবক উপ সচিব অবৰ সচিব আৰু সহকাৰী সচিবে সহায় কৰে। কেতিয়াবা সচিব আৰু সহকাৰী সচিবে যেতিয়া কিছুমান বিভাগত কামৰ হেঁচা অধিক হয় তেতিয়া তেওঁ বিশেষ সচিবক অতিৰিক্ত সচিব বা যৌথ সচিবৰ সহায় লয়। প্রত্যেকটো বিভাগ ভালে কেইটা শাখাত বিভক্ত, প্রতিটো শাখা একোজন শাখা বিষয়াৰ অধীন। তেওঁ সহকাৰী, কেৰাণী, টাইপিষ্ট, কম্পিউটাৰ অ'পাৰেটৰ ইত্যাদিৰ সহযোগত কার্যনির্বাহ কৰে। সকলোৰে ওপৰত থাকে এগৰাকী মুখ্য সচিব যি গৰাকী প্রতিখন ৰাজ্যৰে সচিবালয়ৰ মুৰব্বী। বিষয়াৰ স্তৰত তেওঁ অন্তঃ বিভাগীয় কেন্দ্রীয় সমন্বয়ক হিচাপে কাম কৰে।

তলত দিয়া লেখ চিত্রৰ সহায়ত শিক্ষার্থীক ৰাজ্যিক সচিবালয়ৰ গাঁথনি বা সাংগঠনিক দিশটো বুজাবলৈ প্রয়াস কৰা হ'ল —



সচিবালয়ৰ অসামৰিক সেৱাৰ বিষয়াসকলৰ বাহিৰে সচিবালয়ৰ সকলো বিষয়া পদাবধি ব্যৱস্থাৰ অধীন আৰু তেঁওলোকে নির্দিষ্ট কাললৈ সচিবালয়ত নিয়ুক্ত হয়। কিন্তু পদাবধি ব্যৱস্থাৰ মুখ্য সচিবগৰাকীৰ প্রসঙ্গটো ব্যতিক্রমিক প্রসঙ্গ। ইয়াৰ বাহিৰেও, ৰাজ্য ভেদে সচিবালয়ৰ বিভাগসমূহৰ সংখ্যাত তাৰতম্য ঘটে। পিছে সকলো ৰাজ্যতে কিছুমান এনে বিভাগ আছে যিবোৰ সকলো ৰাজ্যতে একে, যেনে - সাধাৰণ প্রশাসন, গৃহ, ব্যক্তিগত, বিত্ত, কৃষি ভূমি সংস্কাৰ, বন, গড়কাপ্তানি, শ্রম আৰু নিয়োগ, উদ্যোগ, কাৰাগাৰ, ৰাজহ, পিয়ল আৰু পুনঃসংস্থাপন, বাণিজ্য, সমবায়, শিক্ষা, জলসিঞ্চন, স্বাস্থ্য আৰু পৰিয়াল কল্যাণ, অর্থনীতি আৰু পৰিসংখ্যা, পৰিবহন, শুল্ক আৰু কৰ, পঞ্চায়তী ৰাজ আৰু গ্রামীন বিকাশ, পৌৰ প্রশাসন আৰু নগৰ পৰিকল্পনা, শক্তি খণ্ডৰ পৰিকল্পনা আৰু উন্নয়ন, জনজাতি আৰু সমাজ কল্যাণ, স্থানীয় স্ব প্রশাসন, যোগান পুনৰ সংস্থাপন ইত্যাদি। তদুপৰি, প্রত্যেকখন ৰাজ্যই সময়ে সময়ে সময়ৰ প্রয়োজনীয়তা অনুসাৰে নতুন নতুন বিভাগ খোলাৰ পৰীক্ষণ কৰি আহিছে। উদাহৰণ স্বৰূপে, ১৯৮৫ চনৰ পৰৱর্তী সময়চোৱাত অসম চৰকাৰে 'অসম চুক্তি ৰূপায়ণ বিভাগ' নামৰ নতুন বিভাগ এটা খুলিছে। এই বিভাগটোৱে সদৌ অসম ছাত্র সন্থা, কেন্দ্রীয় চৰকাৰ আৰু অসম চৰকাৰৰ মাজত হোৱা অসম চুক্তিৰ বিভিন্ন দফা আৰু প্রতিশ্রুতিসমূহ ফলপ্রসুভাৱে ৰূপায়িত হৈছে নে নাই তাক চোৱা-চিতা কৰে।

১১.৩.২ ৰাজ্যিক সচিবালয়ৰ কার্যাৱলী

ৰাজ্য চৰকাৰৰ উচ্চতম বিভাগ হোৱা হেতুকে সচিবালয়ে বহুতো কার্য সম্পন্ন কৰিব লগীয়া হয়। তলত দিয়া বিভিন্ন শাখাৰ কার্যসমূহ প্রায় ভাগ ৰাজ্যৰ সচিবালয়ে সম্পন্ন কৰে —

(ক) সাধাৰণ কার্যাৱলী

- সাধাৰণ নীতিৰ লগত জড়িত সকলো বিষয়
- অন্তঃ বিভাগীয় সমন্বয়
- ভাৰত চৰকাৰৰ আৰু অন্যান্য ৰাজ্যৰ লগত যোগাযোগ ৰক্ষা
- চলিত নীতিসমূহত নতুন আইনগত অধিনিয়মৰ বা নিয়ম বা সংশোধনীৰ সুত্রিতবদ্ধকৰণৰ লগত জড়িত বিষয়, চলিত চৰকাৰী নির্দেশনাত থকা নীতি-নিয়মসমূহৰ ব্যাখ্যা বা সিবিলাকৰ শিথিলকৰণৰ লগত জড়িত বিষয়সমূহ।
- নতুন পৰিকল্পনা আঁচনিৰ গ্রহণ বা প্রস্তুতিৰ লগত জড়িত বিষয়সমূহ আৰু চলিত আঁচনিসমূহৰ গুৰুত্বপূর্ণ সংশোধন।
- পৰিকল্পনা আঁচনিসমূহৰ উভয় বৈষয়িক আৰু বিত্তীয় অগ্রগতিৰ পুনৰীক্ষণ
- বিভাগীয় মূৰব্বীসকলে লিপিবদ্ধ কৰা প্রতিবেদন আৰু চৰকাৰী ভ্রমণ টোকা সমূহৰ নিৰীক্ষণ।
- সর্বভাৰতীয় সন্মিলন আৰু ৰাজ্যিক স্তৰৰ গুৰুত্বপূর্ণ সন্মিলনসমূহ
- ক্ষমতা প্রতিনিয়োজন।

- ৰাজহুৱা হিচাপ সমিতি, প্রকল্প সমিতি, ৰাজ্যিক বিধান পৰিষদ আৰু সাংসদীয় প্রশ্নসমূহ।
- ধাৰা ৮০, CPC ৰ অধীনত মোকর্দমাৰ জাননীসমূহ
- সীমাৰ সলনি আৰু মুখ্য কার্যালয়ৰ পৰিবর্তনসমূহ আৰু
- ৰাজ্য চৰকাৰৰ ক্ষমতাধীন আবেদন, সংশোধনী ইত্যাদি।

(খ) বিত্ত বিষয়ক কার্যাৱলী

- সকলো নতুন বস্তুৰ খৰচৰ লগত জড়িত প্রস্তাৱ।
- আকস্মিক নিধিৰ পৰা খৰচৰ অনুমোদন।
- বিভাগীয় মূৰব্বীসকলৰ এক্তিয়াৰৰ বাহিৰত থকা বিত্তীয় বিষয়ক অনুমোদন।
- বিভাগীয় মূৰব্বীসকলৰ ক্ষমতাৰ বাহিৰত থকা আৰু বিভাগীয় মূৰব্বীসকলৰ কার্যালয়ৰ লগত জড়িত হিচাপ পৰীক্ষণৰ আপত্তি সমূহ অব্যাহতি দিয়া ওজৰ-আপত্তি (Write off cases) হিচাপে গণ্য কৰা।
- উন্নয়নমূলক বাজেটৰ পৰিনিৰীক্ষা আৰু অনুমোদন খৰচ একাউন্টৰ গুৰু বিনিয়োগ, নিধিৰ আত্মসমর্পণ আৰু পৰিপূৰক অনুদান।

(গ) সেৱা বিষয়ক কার্যাৱলী

- সেৱা নিয়মৰ অনুমোদন আৰু প্রয়োজনীয় সংশোধন
- উচ্চ বর্গৰ নিযুক্তিৰ লগত জড়িত বিষয়সমূহ, পদোন্নতি, বদলিকৰণ আৰু ৰাজপত্রিত বিষয়াৰ বিৰুদ্ধে লোৱা অনুশাসনমূলক কার্যাৱলীৰ মাম্‌লা।
- বিভাগীয় মূৰব্বীৰ ক্ষমতাৰ ভিতৰত নথকা বিষয়সমূহ যেনে পদৰ সৃষ্টি, সেইবিলাকৰ কার্যকাল বৃদ্ধি আৰু অবিৰত পুনৰ নিয়োজন, ইস্তাফা, বিশেষ দৰমহা, ভাট্টা আৰু পেঞ্চন।
- ৰাজ্যিক সেৱাৰ লগত জড়িত বিষয়াসকলৰ প্রাৰম্ভিক নিযুক্তি বা তেওঁলোকক প্রদান কৰা গুৰু শাস্তি।

ওপৰৰ আলোচনাৰ পৰা ৰাজ্যিক সচিবালয়ৰ গাঁথনি আৰু কার্যাৱলীৰ যি ধাৰণা লাভ কৰিলো, তাৰ পৰা এইটো বুজিব পৰা যায় যে অন্যান্য সচিবালয়ৰ দৰে ৰাজ্যিক সচিবালয়ো ৰাজ্য চৰকাৰৰ কর্তৃত্ব বা ক্ষমতাৰ ভাণ্ডাৰ। ই কেন্দ্রীয় সমন্বয়কাৰী সংস্থা আৰু উদ্ভাৱনশীল চিন্তাৰ গোট হিচাপে কাম কৰে। ই কার্যতঃ এটা নীতি নির্ধাৰণকাৰী সংস্থা। কিন্তু ই ক্ষেত্রীয় কর্মচাৰী গোটক পৰামর্শ দিক্ নিদের্শনা আৰু দিহা-পৰামর্শ প্রদান কৰে। সেইদৰে ই জিলা আৰু তাৰ নিম্ন স্তৰৰ কার্যপালিকাক কাম-কাজৰ প্রক্রিয়া নির্ধাৰণ কৰি দিয়ে।

১১.৪ মুখ্য সচিব

ৰাজ্যত মুখ্য সচিব গৰাকীয়ে গুৰুত্বপূর্ণ স্থান অধিকাৰ কৰে। ভাৰতৰ প্রত্যেকখন ৰাজ্যৰ সচিবালয়ৰ মূৰব্বী হৈছে মুখ্য সচিব। তেওঁ ৰাজ্যিক সচিবালয়ৰ এক অবিচ্ছেদ্য অংগ। তেওঁ সাধাৰণ প্রশাসন বিভাগৰ দায়িত্বত থাকে যাৰ ৰাজনৈতিক মূৰব্বী হৈছে মুখ্য মন্ত্রী গৰাকী। তেওঁ ৰাজ্যৰ প্রশাসনিক ব্যৱস্থাটোক কাম্য নেতৃত্বৰ যোগান ধৰে। তেওঁ তেওঁৰ চৰকাৰ আৰু কেন্দ্র আৰু অন্যান্য ৰাজ্য চৰকাৰসমূহৰ মাজত মুখ্য যোগাযোগকাৰী আৰু সমন্বয়ৰক্ষী হিচাপে কার্যনির্বাহ কৰে।

১১.৪.১ নিযুক্তি

মুখ্য মন্ত্রীয়ে মুখ্য সচিবজনক নিযুক্তি দিয়ে । পৰাপক্ষত নিয়ম অনুসৰি ৰাজ্যিক ক্যাডাৰৰ সর্বজ্যেষ্ঠ ভাৰতীয় প্রশাসনিক সেৱাৰ বিষয়া গৰাকীক মুখ্য সচিব হিচাপে নিযুক্তি দিয়া হয়। পিছে বহুত ক্ষেত্রত এনে হোৱা দেখা নাযায়। মুখ্য মন্ত্রীয়ে মুখ্য সচিবৰ নিযুক্তিৰ প্রসঙ্গত কেন্দ্রীয় চৰকাৰৰ লগত দিহা- পৰামর্শ কৰিব পাৰে। যদিও এনে দিহা-পৰামর্শ কৰা বাধ্যতামূলক নহয়। সেইদৰে মুখ্য মন্ত্রীয়ে তেওঁৰ মন্ত্রী পৰিষদৰ লগতো দিহা-পৰামর্শ কৰিব পাৰে, কিন্তু সিদ্ধান্ত তেওঁৰ। সাধাৰণতে এগৰাকী মুখ্য সচিবৰ নিযুক্তিৰ সময়ত তিনিটা দিশ বিবেচনা কৰা হয়।

- বয়োজ্যেষ্ঠতা
- সেৱা অভিলেখ (Service Record) কার্যাৱলী আৰু গুণাগুণ আৰু
- মুখ্য মন্ত্রীৰ আস্থা

১১.৪.২ কার্যকাল

মুখ্য সচিবৰ কোনো নির্দিষ্ট কার্যকাল নাথাকে। তেওঁৰ পদটো পদাবধি ব্যৱস্থাৰ বাহিৰত। ৰাজ্য চৰকাৰৰ অন্যান্য বিভাগত হোৱাৰ দৰে তেৰোঁ এই পদটোত নিজৰ কার্যকাল পূৰ কৰি অৱসৰ লয় নতুবা কেন্দ্রত অন্য কোনো গুৰুত্বপূর্ণ দায়িত্ব গ্রহণ কৰে। অৱশ্যে কার্যতঃ তেওঁৰ পদাবধি তেওঁৰ প্রশাসনিক দক্ষতা, পৰিবর্তনৰ লগত তাল মিলাই চলিব পৰা তেওঁ দূৰদৃষ্টিসম্পন্নতা আৰু বস্তুনিষ্ঠ সিদ্ধান্ত গ্রহণৰ ক্ষমতাৰ ওপৰত নির্ভৰশীল।

১১.৪.৩ মুখ্য সচিবৰ কার্যাৱলী

আমাৰ (ভাৰতৰ) সংবিধানত মুখ্য সচিবৰ ক্ষমতা আৰু কার্যাৱলী কোনো নির্দিষ্ট উল্লেখ নাই। অন্যহাতেদি, তেওঁৰ কার্যাৱলী ৰাজ্য চৰকাৰৰ নীতিসমূহৰ অধীন। তেওঁৰ কার্যাৱলীক তলত দিয়া ধৰণে বর্ণনা কৰিব পাৰি।

- মুখ্য মন্ত্রীৰ মুখ্য পৰামর্শদাতা হিচাপে দায়িত্ব পালন আৰু উন্নয়নমূলক আঁচনি আৰু কার্যক্রমসমূহ কার্যান্বিত কৰাত সহায় কৰে।
- ৰাজ্যিক মন্ত্রীমণ্ডলৰ সচিব হিচাপে মুখ্য সচিবে কার্যসুচী যা-যোগাৰ কৰে আৰু সেই সমূহৰ কার্যাবিৰৰণি প্রস্তুত আৰু সংৰক্ষণ কৰে।

- সচিবালয়ৰ সকলো বিভাগৰ নিয়ন্ত্রণ আৰু সাধাৰণ পর্যবেক্ষণৰ ভাৰ মুখ্য সচিবৰ ওপৰত ন্যস্ত থাকে।
- ৰাজ্যৰ অসামৰিক সেৱাৰ মূৰব্বী হিচাপে তেওঁ ৰাজ্য চৰকাৰৰ উচ্চ পর্যায়ৰ বিষয়াসকলৰ নিযুক্তি, পদোন্নতি আৰু বদলিকৰণজনিত বিষয়সমূহ নিয়ন্ত্রণ কৰে। তদুপৰি, সকলোবোৰ চৰকাৰী জাননী, নির্দেশাত্মক নীতি, ইত্যাদিসমূহ মুখ্য সচিবৰ যোগেদি ৰাজ্য চৰকাৰৰ বিভিন্ন বিভাগৰ উচ্চ পদস্থ বিষয়াললৈ পঠিওৱা হয়।
- মাণ্ডলিক পৰিষদত মুখ্য সচিবে তেওঁৰ ৰাজ্যক প্রতিনিধিত্ব কৰে আৰু একাদিক্রমে ইয়াৰ সচিব হিচাপে কার্যভাৰ পালন কৰে।
- সচিবালয় ভৱনৰ লগতে সেই ভৱনৰ কাক কোনটো কোঠা দিয়া হ'ব তাৰ প্রশাসনিক কর্তৃত্ব মুখ্য সচিবৰ হাতত ন্যস্ত থাকে।
- মন্ত্রীৰ লগত সংলগ্ন কর্মচাৰীৰ গোটটোক মুখ্য সচিবেই নিয়ন্ত্রণ কৰে।
- তেওঁ কেন্দ্রীয় বিভাগ সচিবালয় সংগ্রহালয় আৰু অভিলেখাগাৰ, সচিবালয়ৰ সুৰক্ষা কর্মীসকল, ইত্যাদিত নিজৰ কর্তৃত্ব আৰু নিয়ন্ত্রণ আৰোপ কৰে।
- ৰাজ্যিক সচিবালয়ৰ মূৰব্বী হিচাপে মুখ্য সচিবগৰাকী বিভিন্ন সমিতিৰ পদেন সভাপতি হোৱাৰ লগতে সেইসমূহৰ সদস্যও যিবোৰ ৰাজ্যৰ প্রশাসনিক বিষয়াক তাৎপর্যপূর্ণ আৰু গুৰুত্বপূর্ণ সিদ্ধান্ত গ্রহণ কৰে।
- অন্যান্য সচিবৰ কার্যক্ষেত্রৰ ভিতৰত নপৰা এই সকলোবোৰ বিষয় মুখ্য সচিবে চোৱা চিতা কৰে।
- ৰাষ্ট্রীয় বা ৰাজ্যিক জৰুৰীকালীন অৱস্থা, যি কোনো প্রকাৰৰ সংকট বা প্রাকৃতিক দুর্যোগৰ সময়ত মুখ্য সচিবে তেওঁৰ ৰাজ্যৰ স্নায়ুকেন্দ্র ৰূপে কার্য নির্বাহ কৰে।
- কেন্দ্রীয় চৰকাৰে ৰাজ্য চৰকাৰলৈ প্রেৰণ কৰা সকলো ধৰণৰ গুৰুত্বপূর্ণ আৰু গোপন নথি মুখ্য সচিবে গ্রহণ কৰিব লাগিব আৰু সেইসমূহ তেওঁ নিজ হাতে মুখ্যমন্ত্রীক অর্পণ কৰিব লাগিব।

  এই বহুধা বিভক্ত কার্যাৱলী আৰু অভিযানসমূহ যি মুখ্য সচিবৰ কার্যালয়ক কেন্দ্র কৰি ঘুৰি থাকে, সেইসমূহে তেওঁৰ পদবীৰ গুৰুত্ব আৰু গাম্ভীর্য বৃদ্ধি কৰাৰ লগতে এনে এক ক্ষেত্রৰ সৃষ্টি কৰিছে যাক কেন্দ্র কৰি ৰাজ্যখনৰ সমুদায় ৰাজনৈতিক আৰু প্রশাসনিক যন্ত্র ঘূৰি থাকে।

১১.৪.৪ মুখ্য সচিবৰ ভূমিকা আৰু গুৰুত্ব

মুখ্য সচিবৰ পদটো ভাৰতীয় প্রশাসনিক সেৱাৰ অন্তর্গত, অর্থাৎ কেৱল এগৰাকী ভাৰতীয় প্রশাসনিক সেৱাৰ বিষয়াইহে এই পদটো লাভ কৰিব পাৰে। ভাৰত চৰকাৰৰ সচিব এগৰাকীয়ে যি স্থান আৰু দৰমহা- ভাট্টাৰ নিৰিখ লাভকৰে মুখ্য সচিবেও সেই একে স্থান, দৰমহা- ভাট্টাৰ নিৰিখ লাভ কৰে।

মন্ত্রী মণ্ডলৰ এগৰাকী পৰামর্শদাতা আৰু চৰকাৰী যন্ত্রৰ মূৰব্বী হিচাপে মুখ্য সচিবে ৰাজ্য


চৰকাৰৰ নীতি প্ৰস্তুত প্ৰক্ৰিয়াত এটা গুৰুত্বপূৰ্ণ আৰু প্ৰভাৱশালী ভূমিকা গ্ৰহণ কৰে। কেন্দ্ৰীয় চৰকাৰৰ কেবিনেট সচিবৰ ভূমিকাতকৈও ৰাজ্য চৰকাৰৰ মুখ্য সচিবৰ ভূমিকা অধিক ব্যাপক কিয়নো কেন্দ্ৰীয় চৰকাৰৰ ক্ষেত্ৰত কেবিনেট সচিবৰ দায়িত্ব কিছুমান গুৰুত্বপূৰ্ণ বিভাগ যেনে - গৃহ, বিত্ত, প্ৰধান মন্ত্ৰীৰ কার্যালয় ইত্যাদিৰ সচিবে ভগাই লয়। কিন্তু এখন ৰাজ্যৰ মুখ্য সচিবৰ ক্ষেত্ৰত ৰাজ্যৰ প্ৰশাসনিক যন্ত্ৰৰ নেতা। তাৰ লগতে তেওঁ কেবিনেট সচিব, ৰাজ্যৰ অসামৰিক সেৱা আয়োগৰ প্ৰধান আৰু ৰাজ্য চৰকাৰৰ মুখ্য জনসম্পৰ্কৰক্ষী বিষয়া। এই সকলোবোৰে তেওঁৰ পদটো অধিক শক্তিশালী আৰু দায়িত্বপূৰ্ণ কৰি তুলিছে।

মুখ্য সচিবৰ গুৰুত্বৰ কথা উচ্চতম ন্যায়ালয়ে প্ৰদান কৰা এই ঐতিহাসিক ৰায়ৰ পৰা বুজিব পাৰি। ই পি ৰায়াপ্পা (১৯৪৭) ৰ ভাষাত "মুখ্য সচিবৰ পদটো এটা অতি সংবেদশীল পদ (মুখ্য সচিব হৈছে এটা) ধুৰাৰ পৰা গাড়ীৰ চকা ওলাই যাব নোৱাৰিবৰ বাবে ধুৰাত পথালিকৈ ভৰোৱা খুটিৰ দৰে প্ৰশাসন ব্যৱস্থা ধৰি থাকে আৰু প্ৰশাসনিক কার্যৰ বাধাহীন ফলপ্ৰসু বাস্তৱায়নৰ বাবে মুখ্য সচিব আৰু মুখ্য মন্ত্ৰীৰ মাজত সহৃয়াত্মক সমন্বয় আৰু বুজাপৰা থাকিব লাগে।

১৯৬৩ চনৰ ৰাজস্থান প্ৰশাসনিক সংস্কাৰ সমিতিয়েও মুখ্য সচিবৰ বহুধা বিভক্ত কার্যাৱলীৰ কথা উল্লেখ কৰি গৈছে যিয়ে মহৎ আৰু তাৎপর্যপূৰ্ণ ভূমিকা পালন কৰিব লাগে। তেওঁ প্ৰত্যক্ষভাৱে জড়িত হৈ থকা বিভাগসমূহৰ বাহিৰেও মুখ্য সচিব গৰাকীয়ে অন্য বিভিন্ন বিভাগৰ কাম-কাজসমূহ সু সমন্বিত কৰে আৰু সময়ে সময়ে ৰাজ্য চৰকাৰে বিভিন্ন ক্ষেত্ৰত গ্ৰহণ কৰা নীতি আৰু কার্যাৱলীৰ ক্ষেত্ৰত সমতা আনে।

যেতিয়া কেন্দ্ৰীয় চৰকাৰৰ কেবিনেট সচিবে ৰাজ্যৰ মুখ্য সচিবসমূহৰ সভা আহ্বান কৰে, তেতিয়া সেই মুখ্য সচিবসমূহে নিজৰ নিজৰ ৰাজ্যৰ সমস্যাৱলীক কেন্দ্ৰৰ সন্মুখত যথোপযুক্ত ভাৱে উপস্থাপন কৰিবলৈ সুযোগ পায়। এই দিশটোৰ প্ৰতি দৃষ্টি ৰাখি ক'ব পাৰি যে তেওঁলোকে কেন্দ্ৰ আৰু ৰাজ্যসমূহৰ মাজৰ যোগাযোগৰ প্ৰশাসনিক সেতুৰূপে কাম কাৰে। সৰহ ক্ষেত্ৰতে এইটো দেখিবলৈ পোৱা যায় যে ৰাজ্য এখনৰ মুখ্য মন্ত্ৰীয়ে তেওঁৰ চৰকাৰখন সফলতাৰে পৰিচালিত কৰিবলৈ তেওঁৰ মুখ্য সচিবৰ চিন্তা, অভিজ্ঞতা, কার্যকুশলতা, তেওঁৰ সমন্বয়ৰক্ষী গুণ আৰু পৰামর্শৱলীৰ ওপৰত নির্ভৰশীল।

তলত দিয়া লেখ চিত্ৰৰ আধাৰত ৰাজ্য প্ৰশাসনত মুখ্য সচিবৰ ভূমিকা আৰু গুৰুত্বৰ কথা বুজিব পাৰি—



আমি ইয়াকে ক'ব পাৰো যে ৰাজ্যৰ সচিবসকলৰ দলৰ অধিনায়ক হিচাপে মুখ্য সচিবগৰাকী অদ্বিতীয় ব্যক্তিত্বৰ এগৰাকী জ্যেষ্ঠ ব্যক্তি হোৱা বাঞ্ছনীয়। প্ৰশাসনিক সংস্কাৰ আয়োগৰ মতে "মুখ্য সচিব গৰাকীৰ নিৰ্বাচন অতি সাৱধানতাৰে কৰিব লাগে"। সাধাৰণতে তেওঁ সবাতোকৈ যোগ্য জ্যেষ্ঠ ব্যক্তি হ'ব লাগিব,যিয়ে তেওঁৰ যোগ্যতায়ে অভিজ্ঞতা, সত্যনিষ্ঠা আৰু নিৰপেক্ষতাৰ দ্বাৰা সকলো বিষয়াৰ পৰা সন্মান আৰু বিশ্বাসপূৰ্ণ আনুগত্য লাভ কৰিব পাৰে।

অগ্ৰগতি নিৰীক্ষণ



প্ৰশ্ন নং ১ ঃ সচিবালয় বুলিলে কি বুজে?

.....

প্ৰশ্ন নং ২ ঃ গাঁথনিৰ ক্ষেত্ৰত সচিবালয়ৰ এটা বিভাগে অনুসৰণ কৰা নীতিটো কি?

.....

প্ৰশ্ন নং ৩ ঃ ১৯৮৫ চনৰ পিছত অসম চৰকাৰে খোলা নতুন বিভাগটোৰ নাম কি?

.....

প্ৰশ্ন নং ৪ ঃ এখন ৰাজ্যৰ মুখ্য সচিবক কোনে নিযুক্তি দিয়ে?

.....

প্ৰশ্ন নং ৫ ঃ মুখ্য সচিবৰ পদাবধি কি?

.....

প্ৰশ্ন নং ৬ ঃ ৰাজ্যিক সচিবালয়ৰ যি কোনো দুটা বিত্ত বিষয়ক কাৰ্য উল্লেখ কৰক।

.....

প্ৰশ্ন নং ৭ ঃ মুখ্য সচিবৰ যিকোনো দুটা কাৰ্য উল্লেখ কৰক।

.....



১১.৫ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

- সচিবালয় হৈছে সকলোবোৰ চৰকাৰী বিভাগৰ এটা সমূহ।
- সচিবালয়েই হৈছে চৰকাৰৰ একমাত্ৰ সংস্থা যিয়ে প্ৰশাসনীয় কাৰ্যত বস্তুনিষ্ঠতা, অবিচ্ছিন্নতা আৰু অটলতা সুনিশ্চিত কৰে।
- সচিবালয়ৰ প্ৰত্যেকটো বিভাগৰ গাঁথনিয়ে স্কেলাৰ নীতি অনুসৰণ কৰে।
- ৰাজ্য ভেদে সচিবালয়ৰ বিভাগসমূহৰ তাৰতম্য ঘটে। পিছে সকলো ৰাজ্যতে এনে কিছুমান বিভাগ আছে যিবোৰ সকলো ৰাজ্যতে একে।
- ৰাজ্যিক সচিবালয়ৰ কাৰ্যাৱলী তিনিটা ভিন্ন শাখাত আলোচনা কৰিব পাৰি। যেনে-